# অসম আদিত্য

অসম আদিত্য, ডিব্ৰুগড় ❑ দেওবাৰ, ৩ ডিচেম্বৰ, ২০২৩ ❑ ১৬ আঘোণ, ১৯৪৫ শক




# ডিব্ৰু মহাবিদ্যালয়লৈ এক কোটি টকা ‘জ্যোতি-ললিতা কানৈ ফাউণ্ডেশ্যন’ৰ

## প্ৰশাসনিক ভৱন নিৰ্মাণ শুভাৰম্ভ ঃ শৈক্ষিক ভৱন উদ্বোধন

ডিব্ৰুগড়, ২ ডিচেম্বৰ ঃ আজি ডিব্ৰু মহাবিদ্যালয় প্ৰাংগণত ‘জ্যোতি-ললিতা কানৈ ফাউণ্ডেশ্যন’ দ্বাৰা নিৰ্মাণ হ’বলগীয়া ‘লক্ষ্মীনাৰায়ণ কানৈ প্ৰশাসনিক ভৱন’ নিৰ্মাণৰ শুভাৰম্ভ কৰে ভাৰত চৰকাৰৰ কেন্দ্ৰীয় পেট্ৰ’লিয়াম আৰু প্ৰাকৃতিক গেছ, শ্ৰম আৰু নিয়োগ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে। জ্যোতি-ললিতা কানৈ ফাউণ্ডেশ্যনৰ ১ কোটি টকাৰ অৰ্থ-সাহায্যৰে নিৰ্মাণ হ’বলগীয়া প্ৰস্তাৱিত ভৱনটিৰ ‘ভূমি-পূজন’ সম্পন্ন হোৱাৰ পাছতে এখনি গাম্ভীৰ্যপূৰ্ণ সভাত ভাগ লয় কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। মন্ত্ৰী তেলীয়ে ভাষণত জ্যোতিপ্ৰসাদ কানৈৰ বদান্যতাক *৮ পৃষ্ঠাত*

## ডিব্ৰু মহাবিদ্যালয়লৈ এক

প্ৰশংসা কৰাৰ লগতে তেওঁ ১০ লাখ টকা মহাবিদ্যালয়লৈ আগবঢ়োৱাৰ কথা ঘোষণা কৰে। সভাৰ আৰম্ভণিতে মংগলাচৰণ কৰে সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা ড° অদিতি বৰুৱাই। ফাউণ্ডেশ্যনৰ হৈ বিশিষ্ট উদ্যোগপতি জ্যোতি কানৈ আৰু ললিতা কানৈ উপস্থিত থকা সভাখনিত অতিথি হিচাপে ভাগ লয় স্থানীয় বিধায়ক প্ৰশান্ত ফুকন, অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড়ৰ পৌৰপতি ডাঃ সৈকত পাত্ৰ, অসম গেছ কোম্পানীৰ উপ-সভাপতি ইন্দ্ৰ গগৈ, মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি, বিশিষ্ট শিক্ষাবিদ ড° প্ৰদীপ কুমাৰ বৰুৱা, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই আৰু উপাধ্যক্ষা অধ্যাপিকা চন্দনা গগৈয়ে। আনহাতে বিধায়ক প্ৰশান্ত ফুকনে ডিব্ৰু মহাবিদ্যালয়লৈ সকলো সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। ৰুছাৰ অনুদানেৰে নৱনিৰ্মিত শৈক্ষিক ভৱন উদ্বোধন কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। ‘জ্যোতি-ললিতা কানৈ ফাউণ্ডেশ্যন’ৰ হৈ সম্পন্ন কৰা বিভিন্ন কল্যাণমূলক কাম-কাজ সম্পৰ্কে আলোকপাত কৰে উদ্যোগপতি জ্যোতি কানৈয়ে। গৰিষ্ঠসংখ্যক অধ্যাপক-অধ্যাপিকা, অতিথি, শিক্ষাৰ্থী আৰু এন চি চিৰ কেডেট উপস্থিত থকা সভাখনিত আদৰণী ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° প্ৰদীপ কুমাৰ বৰুৱাই আৰু সভাখনি যুটীয়াভাৱে আঁত ধৰে ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা নন্দিতা বৈশ্য আৰু অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা ড° মৌচুমী দত্তই। সভাৰ অন্তত উপস্থিত আটাইলৈকে আন্তৰিক শলাগ জ্ঞাপন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমায়ে সকলোৰে সহযোগিতাত মহাবিদ্যালয়খনক দেশৰ ভিতৰত জিলিকাই তুলিব খোজাৰ বাবে কাম কৰাৰ আগ্ৰহ প্ৰকাশ কৰে।